**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৭৭৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত। বৰপেটা আৰু ঢেকীয়াজুলি সমষ্টিত আজি মনোনয়ন পত্ৰৰ পৰীক্ষণ।

২। নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষৰ ব্যাপক প্ৰচাৰ অভিযান। বিজেপি আৰু কংগ্ৰেছ দলৰ ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ।

৩। মধ্যপ্ৰাচ্যৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংকটৰ জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আজি সৰ্বদলীয় বৈঠক আহ্বান ।

৪। নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ সময়ৰে পৰা নিৰীক্ষণকাৰী দলসমূহৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেসংখ্যক আপত্তিজনক সামগ্ৰী আৰু নগদ ধন জব্দ। **আৰু**

৫। চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া আৰম্ভ।

oooooo

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ ১২৪টা সমষ্টিত কালি মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৭৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। অৱশ্যে, অনুসূচিত জাতিৰ বাবে সংৰক্ষিত বৰপেটা আৰু ঢেকীয়াজুলি সমষ্টিৰ মনোনয়ন পত্ৰৰ পৰীক্ষা আজি দিনৰ এঘাৰ বজালৈ স্থগিত ৰখা হৈছে বুলি মুখ্য নিৰ্বাচন বিষয়াই সদৰি কৰিছে। সমষ্টি দুটাত মনোনয়ন পত্ৰ সন্দৰ্ভত প্ৰাৰ্থীৰ অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত মুখ্য নিৰ্বাচন বিষয়াই মনোনয়ন পত্ৰৰ পৰীক্ষাৰ সময় বৃদ্ধি কৰিছে। বৰপেটা জিলাত মনোনয়ন প্ৰক্ৰিয়া সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত—-

**ভইচকাষ্ট (অৰূপজ্যোতি মহন্ত)**

মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় কাইলৈ বিয়লি ৩ বজা পৰ্যন্ত নিৰ্ধাৰণ কৰা হৈছে।

উল্লেখযোগ্য যে **ডিব্ৰুগড়** জিলাৰ ছটা বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা ২৪ খন মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। **মাজুলী** জিলাত কালি মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত আটাইকেইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে।

**কামৰূপ** মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা ২৬ গৰাকী প্ৰাৰ্থীৰ আটাইকেইগৰাকীৰে মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। একেদৰে **দক্ষিণ শালমাৰা মানকাচৰ** জিলাত মনোনয়ন দাখিল কৰা সাতগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পৰীক্ষাৰ অন্তত আটাইকেইগৰাকীৰে মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। **বজালী** জিলাত দুটা সমষ্টিৰ বাবে দাখিল হোৱা ১০ খন মনোনয়নৰ ভিতৰত এখন বাতিল হৈছে। মনোনয়ন পৰীক্ষাৰ অন্তত **ভৱানীপুৰ সৰভোগ** সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মহম্মদ ৰহমান আলীৰ মনোনয়ন বাতিল কৰা হৈছে। **দৰং** জিলাত মনোনয়ন পত্ৰ পৰীক্ষণৰ পাছত দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেলৰ চাইফুল চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী দিলীপ কুমাৰ বনিয়াৰ মনোনয়ন নাকচ হৈছে। জিলাখনত ১৯ গৰাকী প্ৰাৰ্থী

প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। **শ্ৰীভূমি** জিলাৰ ৪টা বিধানসভা সমষ্টিত দাখিল কৰা ৫৯ খন মনোনয়ন পত্ৰৰ ভিতৰত ৪ খন বাতিল হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপি আৰু কংগ্ৰেছ দলে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে। ইয়াৰ লগতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ জ্যেষ্ঠ নেতা, জে পি নাড্ডা, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্নাৱিজ, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চন্দ্ৰ মাঝি, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুকে ধৰি কেইবাগৰাকীও নেতাই বিজেপিৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

কংগ্ৰেছ দলেও কেইবাগৰাকীও তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিং বিধানসভা সমষ্টি, হোজাই আৰু নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাত অংশ ল'ব। এই সন্দৰ্ভত আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয় –

**বাইট**

ড° শৰ্মাই কালি ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে।

মাজুলী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূৱন গামৰ হৈ দলটোৰ জ্যেষ্ঠ নেতা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি চাৰিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। অহা ২৯ মাৰ্চত মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলীলৈ যোৱাৰ সম্ভাৱনা আছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল সমষ্টিত কালি বিধায়ক পোণাকণ বৰুৱাৰ সৈতে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনোদ হাজৰিকাই সমষ্টিটোৰ মুখ্য কাৰ্যালয়ত এখন সভাত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, দেৱব্ৰত শইকীয়া আৰু মীৰা বৰঠাকুৰে কালি নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ লয়। দলৰ নেতা দেৱব্ৰত শইকীয়াই কালি নাজিৰা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। একেদৰে দলৰ নেতা ৰিপুণ বৰাইও প্ৰচাৰ অভিযানত অংশ লয়।

০০০০০০

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য সংকটৰ জোৰা মৰাৰ বাবে আলোচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে। বিয়লি পাঁচ বজাত হ'বলগীয়া এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰাৰ সম্ভাৱনা আছে। এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰো উপস্থিত থকাৰ কথা। উল্লেখযোগ্য যে মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে আহ্বান জনাইছে। ৰাজ্যসভাত কালি দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে। খাৰুৱা তেল, গেছ আদিৰ আমদানি প্ৰভাৱিত হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। হৰমুজ প্ৰণালীত বিভিন্ন দেশৰ জাহাজ আবদ্ধ হৈ আছে আৰু এই জাহাজসমূহত বহু ভাৰতীয় কৰ্মী হিচাপে আছে বুলি শ্ৰী

মোদীয়ে উদ্বেগ প্ৰকাশ কৰে। এইক্ষেত্ৰত সকলোকে সংযম আৰু পাৰস্পৰিক সহযোগিতা ৰক্ষা কৰি চলিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়।

তেওঁ কয়, যে পশ্চিম এছিয়াৰ প্ৰতি লক্ষ্য ৰাখি দেশত প্ৰয়োজনীয় গেছ আৰু তেলৰ যোগান অটুত ৰাখিবলৈ ভাৰতে বিভিন্ন দেশৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰীয়ে লোকসভাত মধ্য প্ৰাচ্যৰ শেহতীয়া পৰিস্থিতিক লৈ দিয়া বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই যুদ্ধকালীন পৰিস্থিতিত ভাৰতত হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি উদ্বেগজনক বুলি অভিহিত কৰি সুদূৰপ্ৰসাৰী পৰিস্থিতিৰ বাবে দেশ সাজু থাকিব লাগিব বুলি উল্লেখ কৰে।

ইপিনে, যুদ্ধৰ নেতিবাচক প্ৰভাৱৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সাতখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিছে। এই সমিতিয়ে ইন্ধনৰ সংকটৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নিৰৱচ্ছিন্ন সৰবৰাহৰ ব্যৱস্থা কৰিব। উল্লেখযোগ্য যে কালি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এই যুদ্ধৰ ফলত সৃষ্টি হোৱা সংকট সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত কালি এখন আন্তঃমন্ত্ৰালয় সংবাদমেলত দেশত এতিয়াও পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল-ডিজেল মজুত আছে বুলি প্ৰকাশ কৰাৰ লগতে জন সাধাৰণক উৰা বাতৰিত পতিয়ন নাযাবলৈ কোৱা হৈছে। যুদ্ধজৰ্জৰ অঞ্চলৰ পৰা ভাৰতলৈ চাৰি লাখ দুহেজাৰ যাত্ৰী উভতি আহিছে বুলিও সংবাদমেলত কোৱা হয়। তদুপৰি সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক ৰন্ধন গেছ আৰু অন্যান্য ইন্ধনৰ অবৈধ মজুতকৰণক লৈ সতৰ্কতা অৱলম্বন কৰিবলৈ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই পৰামৰ্শ দিয়ে।

**বাইট**

oooooo

নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ সময়ৰে পৰা নিৰীক্ষণকাৰী দলসমূহে ৰাজ্যৰ বিভিন্ন প্ৰান্তত তালাচী চলাই ভালেসংখ্যক আপত্তিজনক সামগ্ৰী আৰু নগদ ধন জব্দ কৰিছে। কালি গুৱাহাটীৰ খানাপাৰাত ফ্লায়িং স্কোৱাদ আৰু দিছপুৰ আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই এখন বিলাসী বাহনৰ পৰা নগদ ৬ লাখ টকা জব্দ কৰে। অভিযানকাৰী দলটোৱে ধন সৰবৰাহ কৰাৰ অভিযোগত ৰৌণক হালকা নামৰ লোক এজনক আটক কৰে।

ইপিনে, ভাৰত-ভূটান সীমান্তৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত বৰমাৰ এছ এছ বিৰ ৬৪ নম্বৰ বাহিনীৰ জোৱানসকলে কালি গোপন সূত্ৰৰ পম খেদি অভিযান চলাই বুজন পৰিমাণৰ পেট্ৰ'ল জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। তামুলপুৰ জিলাৰ পাগলাদিয়া নৈৰ সমীপৰ ঝাৰবস্তি গাঁৱত একাংশ লোকে ভূটানৰ পৰা অবৈধভাৱে ইন্ধন সৰবৰাহ কৰাৰ তথ্য লাভ কৰি বাণিজ্য চলোৱাৰ অভিযানত কমেও ৪৪০ লিটাৰ পেট্ৰ'ল জব্দ কৰা হয়। এই সন্দৰ্ভত আব্দুল আলী নামৰ লোকজনক আটক কৰি ৰঙিয়াৰ শুল্ক বিভাগৰ কাৰ্যালয়ত গতাই দিয়া হৈছে।

oooooo

বিত্ত মন্ত্ৰালয়ৰ অধীনৰ ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ গুৱাহাটী মাণ্ডলিক গোটে বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জাননী জাৰি কৰিছে। এই অনুসৰি নিৰ্বাচনী প্ৰক্ৰিয়াত আঘাত হনা আৰু নীতি-নিৰ্দেশনা উলংঘা কৰা কোনোধৰণৰ সামগ্ৰী সৰবৰাহ তথা ব্যৱসায়িক কাৰ্য-কলাপ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এনে সামগ্ৰী সৰবৰাহ সন্দৰ্ভত তথ্য লাভ কৰা মাত্ৰেই হেল্প লাইনৰ জৰিয়তে ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ক অৱগত কৰিবলৈ কোৱা হৈছে। এনে অবৈধ সামগ্ৰী ধৰা পৰাৰ ক্ষেত্ৰত সহায় কৰা ব্যক্তিৰ পৰিচয় গোপনে ৰখাৰ লগতে চৰকাৰী নীতি অনুসৰি তেওঁলোকক পুৰস্কৃত কৰা হ'ব বুলিও কোৱা হৈছে। ইয়াৰ বাবে তিনিটা হেল্পলাইন নম্বৰ হৈছে - 90513-37846, 72898-14504 আৰু 91638-44036।

oooooo

লোকসভা সচিবালয়ে নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সাংসদ পদ ২০ মাৰ্চৰ পৰা কাৰ্যকৰী হোৱাকৈ কৰ্তন কৰা হৈছে বুলি কালি সদৰি কৰিছে। উল্লেখযোগ্য যে সাংসদগৰাকীয়ে নগাঁৱৰ সাংসদ পদৰ পৰা পদত্যাগ কৰি লোকসভাৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰিছিল। নগাঁৱৰ দুবাৰৰ সাংসদগৰাকীয়ে বিজেপিত যোগদান কৰিয়েই দিছপুৰ সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত কালি বিয়লি অহা ধুমুহা-বৰষুণৰ ফলত ঠাই বিশেষে বিস্তৰ ক্ষয়-ক্ষতিৰ বাতৰি পোৱা গৈছে। ধুমুহা বৰষুণৰ ফলত বঙাইগাঁও ৰাজহ চক্ৰ এলেকাৰ চিপনচিলাত কেইবাটাও বাসগৃহৰ ক্ষতি হয়। মানকাচৰৰ সুখচৰৰ বেপাৰীপাৰা এলেকাত ধুমুহাৰ ফলত ব্ৰহ্মপুত্ৰত এখন নাৱৰ পৰা পৰি এজন লোক সন্ধানহীন হয়। অৱশ্যে নাওখনত থকা আন তিনিজন লোকে সাঁতুৰি প্ৰাণ ৰক্ষা কৰে। এছ ডি আৰ এফে সন্ধানহীন লোকজনক বিচাৰি অভিযান চলাই যদিও নিশাপৰ্যন্ত কোনো সম্ভেদ লাভ কৰা নাই। ৰাজ্যৰ আন ঠাইৰ লগতে গুৱাহাটীৰো কেতবোৰ স্থানত ধুমুহা-বৰষুণৰ আংশিক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। তেজপুৰ, বিশ্বনাথ চাৰিআলি আদি অঞ্চলতো ধুমুহাৰ ফলত ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০০

চত্তীশগড়ত আজি প্ৰথম খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া আৰম্ভ হ'ব। ৩ এপ্ৰিললৈ চলিবলগীয়া এই প্ৰতিযোগিতাত এথলেটিকছ্, হকী, ফুটবল, আৰ্চাৰী, মল্লযুঁজ, ভাৰোত্তোলন, সাঁতোৰৰ বিভিন্ন শিতানৰ খেলসমূহ অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি মল্লখম্ব আৰু কাবাডীৰ প্ৰদৰ্শনমূলক খেলৰ আয়োজন কৰা হৈছে। চত্তীশগড়ৰ ৰায়পুৰ, জগদলপুৰ আৰু অম্বিকাপুৰত এই খেলসমূহ অনুষ্ঠিত হ'ব। ৰায়পুৰত ফুটবল, হকী, কাবাডী, সাঁতোৰ, ভাৰোত্তলন আৰু আৰ্চাৰীৰ খেলসমূহ খেলোৱা হ'ব। বাষ্টাৰত এথলেটিকছ্ আৰু ছৰগুজাত মল্লযুঁজ তথা মল্লখম্ব প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সমগ্ৰ দেশৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৩ হাজাৰতকৈও অধিক খেলুৱৈ আৰু কৰ্মকৰ্তাই এই প্ৰতিযোগতাত অংশগ্ৰহণ কৰিব। ৰায়পুৰত আজি ইয়াৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ডং মনসুখ মন্দাভিয়াই এই প্ৰতিযোগিতা উদ্বোধন কৰিব।

০০০০০০

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত অসমৰ আসন্ন বিধানসভা নিৰ্বাচনকেন্দ্ৰিক বিভিন্ন বাতৰিৰ লগতে মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতত পৰা প্ৰভাৱ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সংসদত উদ্বিগ্নতা প্ৰকাশ কৰা বাতৰিটোৱে শিৰোনাম দখল কৰিছে। খাৰুৱা তেল, গেছ আৰু সাৰ পৰিবহণৰ বাবে বিশ্বৰ অন্যতম বৃহৎ বাণিজ্যিক পথ হিচাপে হৰমুজ প্ৰণালীৰ কৌশলগত তাৎপৰ্যৰ বিষয়ে  আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে যুদ্ধ আৰম্ভ হোৱাৰে পৰাই প্ৰণালীটোৰ মাজেৰে জাহাজ** চলাচল কৰাটো অত্যন্ত প্ৰত্যাহ্বানজনক হৈ পৰিছে বুলি স্বীকাৰ কৰে। দৈনিক জনমভূমি কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনামঃ **মধ্যপ্ৰাচ্যৰ যুদ্ধক লৈ ৰাজ্যসভাত প্ৰধানমন্ত্ৰীৰ বিবৃতি, গভীৰ সংকটত পৰিছে বিশ্ব।** দি আছাম ট্ৰিবিউন কাকতে যুদ্ধৰ অৱসানৰ বাবে চলি থকা আলোচনাৰ মাজতে আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত থকাৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।

ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ৰ **৫০১** নম্বৰ কোঠাত অনৈতিক কাম-কাজ চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি অসম জাতীয় পৰিষদে কাৰ্যালয়টোৰ সেই বিশেষ কোঠা ছীল কৰিবলৈ নিৰ্বাচন আয়োগলৈ পত্ৰ প্ৰেৰণ কৰাৰ বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

**৫ দিনৰ বাবেহে দেশত মজুত আছে জৰুৰীকালীন তৈল ভাণ্ডাৰ** বুলি ৰাজ্যসভাত কেন্দ্ৰীয় পেট্ৰলিয়াম ৰাজ্যমন্ত্ৰী সুৰেশ গোপীয়ে কালি মন্তব্য দিয়া বাতৰিটো দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে

পৰিৱেশন কৰিছে। দৈনিক অগ্ৰদূত, অসমীয়া খবৰ আদি কাকতেও একেটা বাতৰিকে ভিন ভিন শিৰোনামেৰে মুখ্য পৃষ্ঠাত প্ৰকাশ কৰিছে। ইফালে নিৰ্বাচনী যুঁজত নমাৰ পূৰ্বেই মনোনয়ন পত্ৰত থকা আসোঁৱাহৰ বাবে নিৰ্বাচন আয়োগে ১৭টা সমষ্টিৰ মুঠ ২৫জন প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰিছে। এই বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অহা ১, ৫ আৰু ৬ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসমত নিৰ্বাচনী প্ৰচাৰ চলাব। ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতে আন কেবাগৰাকীও তাৰকা প্ৰচাৰকে বিজেপিৰ হৈ পৃথক তাৰিখত অসমত নিৰ্বাচনী প্ৰচাৰ চলাব। নিয়মীয়া বাৰ্তা কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম, **প্ৰচাৰৰ ধূমুহা তুলিব মোদীয়ে।**

এতিয়া আহক পুনৰ ওভতি যাঁও বাতৰিৰ পৰৱৰ্তী অংশলৈ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসমৰ কিছু কিছু অঞ্চলত ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগত বতাহ বলাৰ লগতে মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, অসম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**